Under CSR Support by ipca | Foundation missiongyan

অধ্যায় - ৮ | কোষ-গঠন আৰু কাৰ্য

QUIZ-01

1. "কোষ" শব্দটো প্ৰথমে কোনে প্ৰয়োগ কৰিছিল ?
A. ৰ'বাৰ্ট ব্ৰাউন
B. ৰ'বাৰ্ট হুক
C. এন্টনি ভান লিউৱেনহ'ক
D. ডাৰউইন
Answer: B
Explanation: 1665 চনত ৰ'বাৰ্ট হুকে মাইক্ৰস্ক'পৰ সহায়ত কৰ্কৰ পাত চুই কোষ শব্দটো প্ৰয়োগ কৰিছিল।

2. কোষক কিয় জীৱনৰ মৌলিক একক বুলিয়ে কোৱা হয়?
A. কাৰণ ই জটিল পদাৰ্থৰ গঠন কৰে
B. কাৰণ ই জীৱনৰ সকলো প্ৰাথমিক কাৰ্য সম্পন্ন কৰে
C. কাৰণ ই উদ্ভিদতহে থাকে
D. কাৰণ ই কেৱল প্ৰাণীতহে থাকে
Answer: B
Explanation: কোষ জীৱনৰ মৌলিক একক, কিয়নো সকলো জীৱনৰ প্ৰাথমিক কাৰ্য কোষই সম্পন্ন কৰে।

3. এককোষী জীৱৰ উদাহৰণ কোনটো ?
A. মানুহ
B. বাঘ
C. এমিবা
D. হস্তী
Answer: C
Explanation: এমিবা, পেৰামছিয়াম আদি এককোষী জীৱ, য'ত সকলো কাৰ্য এটা কোষেই সম্পন্ন কৰে।

4. জীৱৰ বংশানুক্ৰমৰ আধাৰ কি ?
A. কোষ
B. জিন
C. কোষপ্ৰৰস
D. কোষকেন্দ্ৰ
Answer: B
Explanation: জীৱৰ বংশানুক্ৰমৰ আধাৰ হ'ল- জিন , ই পিতৃ-মাতৃৰ পৰা সন্তানলৈ বংশগত গুণবোৰৰ পৰিবহন হোৱাতো নিয়ন্ত্ৰণ কৰে।

5. উদ্ভিদ কোষৰ কোষপ্ৰাচীৰ কাৰ্য কি ?
A. শ্বাস-প্ৰশ্বাসত সহায় কৰে
B. বাহ্যিক সুৰক্ষা আৰু আকাৰ প্ৰদান কৰে
C. ৰক্ত সঞ্চালন কৰে
D. খাদ্য হজম কৰে
Answer: B
Explanation: উদ্ভিদ কোষৰ কোষপ্ৰাচীৰে কোষক সুৰক্ষা আৰু আকাৰ প্ৰদান কৰে।

6. কোষৰ প্ৰট'প্লাজম ক'ত থাকে ?
A. কেৱল কোষাৱৰণত
B. কেৱল কোষপ্ৰাচীৰত
C. কোষৰ ভিতৰত থকা সকলো জীৱৰ পদাৰ্থত
D. কেৱল ডিএনএত
Answer: C
Explanation: কোষৰ ভিতৰত থকা সকলো জীৱৰ পদাৰ্থক প্ৰট'প্লাজম কোৱা হয়।

7. ক্ৰোম'জ'মৰ ভিতৰত কি থাকে?
A. কেৱল প্ৰ'টিন
B. কেৱল পানী
C. ডিএনএ আৰু প্ৰ'টিন
D. কেৱল ৰঙ
Answer: C
Explanation: ক্ৰোম'জ'মৰ ভিতৰত ডিএনএ আৰু প্ৰ'টিন থাকে, যাৰ দ্বাৰাই বংশগত বৈশিষ্ট্য সংৰক্ষিত হয়।

8. উদ্ভিদ কোষত কিন্তু প্ৰাণী কোষত নথকা গঠন কোনটো?
A. কোষাৱৰণ
B. কেন্দ্ৰাৱৰণ
C. প্লাষ্টিড
D. প্ৰট'প্লাজম
Answer: C
Explanation: প্লাষ্টিড কেৱল উদ্ভিদ কোষত থাকে আৰু ই সালোকসংশ্লেষণত সহায় কৰে।

9. প্ৰ'কেৰিঅ'টিক কোষত কেন্দ্ৰাৱৰণ সঠিকভাৱে বিকশিত নহয়, যেনে বেক্টেৰিয়া।
A. য'ত কেন্দ্ৰ সঠিকভাৱে বিকশিত নহয়
B. য'ত প্লাষ্টিড থাকে
C. য'ত প্ৰাণীহে থাকে
D. য'ত উদ্ভিদহে থাকে
Answer: A
Explanation: প্ৰ'কেৰিঅ'টিক কোষত কেন্দ্ৰাৱৰণ সঠিকভাৱে বিকশিত নহয়, যেনে ব্যাক্টেৰিয়া।

10. ক্ল'ৰ'প্লাষ্ট কেনেকুৱা প্লাষ্টিড ?
A. ৰঙিন নোহোৱা
B. বৰণহীন
C. সেউজীয়া ৰঙৰ
D. ক'লা ৰঙৰ
Answer: C
Explanation: ক্ল'ৰ'প্লাষ্ট সেউজীয়া ৰঙৰ প্লাষ্টিড, ইয়াত ক্ল'ৰ'ফিল থাকে আৰু ই সালোকসংশ্লেষণত সহায় কৰে।

DOWNLOAD MISSION GYAN APP